**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিবেশে বিৰাজ কৰিছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে পৰস্পৰক আবিৰ সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে পাঁচ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। আজি প্ৰথম ভৰদৌল পালন কৰা হয়। গোসাঁইৰ গাত ফাকু গুৰি ছটিয়াই সেৱা জনাবলৈ সত্ৰৰ চৌহদত প্ৰতিবছৰৰ দৰে এইবাৰো অগনন লোকৰ সমাগম হৈছে। বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৰেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন  কৰা হৈছে।

এই সন্দৰ্ভত দৌল উৎসৱৰ এগৰাকী উদ্যোক্তাই এইদৰে কয়ঃ

বাইট

কোচবিহাৰৰ মধুপুৰ সত্ৰতো কালিৰে পৰা দৌল উৎসৱ উদযাপন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি কালিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি সত্ৰীয়া নীতি-নিয়মেৰে গোসাঁইৰ মূৰত ফাকু দিয়া হয়। আজি গোটেই নিশা গোসাঁইক ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হ'ব। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয় অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিবেশন কৰা হ'ব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত আজি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

০০০০

ভৰলুৰ উৰণ সেঁতুখন কাইলৈ উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ লগতে উৰণ সেতুখন অসম গণ পৰিষদ দলৰ নেতা দীনেশ গোস্বামীৰ

নামত উৎসৰ্গা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ কৰা উদ্যানৰ আৰু এটা অংশ কাইলৈ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

কংগ্ৰেছে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ যোৰহাটৰ, মীৰা বৰঠাকুৰ দিশপুৰৰ প্ৰাৰ্থী হ'ব। ৰাতুল পাটোৱাৰীক টিহু, নাৰায়ণ ভূঞাৰ বিহপুৰীয়া, অশোক শৰ্মাক নলবাৰীত টিকট প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বঙাইগাওঁত গিৰিশ বৰুৱা, কমলপুৰত সত্যব্ৰত কলিতা, বৰক্ষেত্ৰীত দিগন্ত বৰ্মন, ছিপাঝাৰত বিনন্দ কুমাৰ শইকীয়া, জাগীৰোডত বুবুল দাস, হাজো-শুৱালকুছিত নন্দিতা দাস, বকো-ছয়গাঁৱত ৰমেন সিং ৰাভা, বৰপেটাত মহানন্দ সৰকাৰ, চামগুৰিত তানজিল হুছেইন, বৰচলাত ৰিপুন বৰা, লামডিংত স্বপন কৰ, সোণাৰীত উৎপল গগৈ, নাজিৰাত দেবব্ৰত শইকীয়া, মাজুলীত ইন্দ্ৰনীল পেগু, কৰিমগঞ্জ উত্তৰ সমষ্টিত জাকাৰিয়া আহমেদক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

ইপিনে, বিজেপিয়ে অসমসহ কেইবাখনো ৰাজ্যৰ ৰাজ্যসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অসমৰ খালী হবলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে তেৰছ গোৱালা আৰু যোগেন মহনৰ নাম নিশ্চিত কৰা হৈছে। অৱশ্যে তৃতীয়খন আসনৰ বাবে এতিয়াও প্ৰাৰ্থী চূড়ান্ত হোৱা নাই। বিহাৰৰ দুখন আসনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ছিবেশ কুমাৰৰ নাম ঘোষণা কৰা হৈছে। ছত্তিশগড় আৰু হাৰিয়ানাৰ আসন দুখনৰ বাবে ক্ৰমে লক্ষ্মী বাৰ্মা আৰু সঞ্জয় ভাটিয়াৰ নাম ঘোষণা কৰা হৈছে। ওড়িশাৰ দুখন আসনৰ বাবে মনমোহন চামল আৰু সুজিত কুমাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। পশ্চিমবংগৰ ৰাজ্যসভাৰ এখন আসনৰ বাবে ৰাহুল সিনহাৰ নাম বাছনি কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ